# প্ৰাথমিক শিক্ষাৰ ডিপ্লমা পাঠ্যসূচী

# (ডি এল এড)

## পাঠ্যসূচী-৫০৩

## খণ্ড - ১

ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় অনুষ্ঠান

A-২৪/২৫, আনুষ্ঠানিক ক্ষেত্ৰ, চেক্টৰ-৬২, নয়ডা

গৌতমবুদ্ধ নগৰ, উত্তৰ প্ৰদেশ - ২০১৩০৯

বেৰচাইট ঃ ডব্লিউ ডব্লিউ ডব্লিউ. এন আই, ও, এচি. ইন

# শৈক্ষিক সামগ্ৰী ঃ ৯

## কিছু নতুন সমীক্ষা

**আন্তঃগাঠনি ঃ**


৯.০ আৰম্ভণি

৯.১ শিকন উদ্দেশ্য

৯.২ শিক্ষাৰ অপৰিহাৰ্য সামগ্ৰী

৯.৩ শৈক্ষিক সামগ্ৰীৰ প্ৰয়োজনীয়তা কি?

৯.৪ শিক্ষণ-শিকন সামগ্ৰী শিক্ষণ সঁজুলি বা উপকৰণ

৯.৫ প্ৰদৰ্শনমূলক বস্তুৰ আৰ্হি আৰু সামগ্ৰী

৯.৬ শিক্ষণ-শিকণ সামগ্ৰী কেনেদৰে সহায়ক হয়?

৯.৭ উপযুক্ত শৈক্ষিক সামগ্ৰী (Educational material) কি?

৯.৮ এবিধ শৈক্ষিক সামগ্ৰীৰে আমি কি কৰিব পাৰো?

৯.৯ ভাষা শিক্ষাৰ ক্ষেত্ৰত কাৰ্ডৰ ব্যৱহাৰ

৯.১০ শিকণৰ অৰ্থৰ আধাৰত ভাষা-শিক্ষাৰ সামগ্ৰী

৯.১১ ভাষা-শ্ৰেণীকোঠাৰ বাবে (Language classroom) সাম্ভাব্য সামগ্ৰী

৯.১২ সামগ্ৰীৰ পৰ্য্যাপ্ততা

৯.১৩ সামগ্ৰীৰ ব্যৱহাৰ

৯.১৪ সামগ্ৰীৰ বাচনি কেনেদৰে কৰা হয়?

৯.১৫ সামৰণি

৯.১৬ উপৰঞ্চি পঠন আৰু পাঠ্য

৯.১৭ পাঠভিত্তিক কাৰ্যকলাপ

# শৈক্ষিক সামগ্ৰী ঃ ৯
## কিছু নতুন সমীক্ষা

**৯.০ আৰম্ভণি ঃ**

সূক্ষ্ম দৃষ্টিৰে চালে দেখা যায় আমাৰ চৌপাশৰ প্ৰায় সকলোবোৰ সামগ্ৰীকেই শৈক্ষিক সামগ্ৰী হিচাপে ব্যৱহাৰ কৰিব পাৰি। এক অৰ্থত শিল, পাত, ধুলি আৰু সৰু শিলগুটিৰ নিচিনা স্কুল, শ্ৰেণীকোঠা, খেলপথাৰ ইত্যাদি সকলোবোৰেই শৈক্ষিক সামগ্ৰীৰ অন্তৰ্গত। বৰ্তমান সময়ত কিছুমান শৈক্ষিক সামগ্ৰী জটিল আৰু অসাধাৰণভাৱে প্ৰযুক্তিগত হ'ব ধৰিছে। ইয়াৰ অন্তৰ্নিহিত কাৰণ হ'ল অতি ব্যয়বহুল অথবা বৈদ্যুতিক সামগ্ৰীসমূহ ইয়াৰ গুণগত মান অনুসৰি উত্তম শৈক্ষিক সামগ্ৰী বুলি পৰিগণিত হৈছে। কম্পিউটাৰ, ইণ্টাৰনেট, ৱেবচাইট, নেটৱৰ্ক, শিক্ষণীয় প্ৰযুক্তি ইত্যাদিৰ ওপৰত গুৰুত্ব বঢ়াৰ লগে লগে কিছুমান নতুন সামগ্ৰী আৰু শব্দৰ ব্যৱহাৰ আমাৰ চাৰিওফালে পৰিলক্ষিত হৈছে। এসময়ত ৰেডিঅ', দূৰদৰ্শন, টেপ ৰেকৰ্ডাৰ আদিয়েই উপ্যুক্ত শৈক্ষিক সামগ্ৰী বুলি পৰিগণিত হৈছিল। ইয়াৰো আগত অতি সৰু বস্তু যেনে— পোষ্টাৰ,ঘোষণা বোৰ্ড (bulletin board), বাতৰি বোৰ্ড, আলোচনী, গোলক অনুকৃতি (model), কাৰ্টুন, ছবি আদিক শৈক্ষিক সামগ্ৰী হিচাপে লোৱা হৈছিল। কিন্তু সময়ৰ লগে লগে এই সামগ্ৰীসমূহৰ ওপৰত গুৰুত্বতা আৰু প্ৰাধান্যতা কমি যোৱা পৰিলক্ষিত হৈছে যদিওবা বহুতো পিছপৰা অঞ্চলৰ স্কুলসমূহত এতিয়াও এই সুবিধাবোৰ উপলব্ধ হোৱা নাই।

প্ৰাচীন শিক্ষাদান পদ্ধতিত পাঠ্যপুথিৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছিল। কিন্তু আধুনিক শিক্ষাদৰ্শন আৰু মনোবিজ্ঞান পদ্ধতি নতুন চিন্তাধাৰাৰ ওপৰত প্ৰতিষ্ঠিত। আগতে শিক্ষাদানৰ ব্যৱস্থা আছিল শিক্ষককেন্দ্ৰিক কিন্তু আধুনিক যুগত শিক্ষাদানৰ ব্যৱস্থা হৈছে শিশুকেন্দ্ৰিক। শিক্ষককেন্দ্ৰিক গতানুগতিক শিক্ষাদানৰ ব্যৱস্থা আজি আৰু নাই। মনোবিজ্ঞান সন্মত শিক্ষাদানৰ পদ্ধতিক সৰল আৰু সহজ কৰিবলৈ অনেক প্ৰচেষ্টা কৰা হৈছে। শিক্ষাক শিশুকেন্দ্ৰিক কৰিবৰ বাবে তেওঁলোকৰ সামৰ্থতা আৰু আগ্ৰহৰ প্ৰতি লক্ষ্য ৰাখি আধুনিক শিক্ষণ শিকন পদ্ধতিত বিজ্ঞান আৰু প্ৰয়োগ শাস্ত্ৰই যথেষ্ট পৰিৱৰ্তন ঘটাইছে। আধুনিক শিক্ষাৰ পৰিপ্ৰেক্ষিতত শৈক্ষিক সামগ্ৰী (teaching material) সমূহৰ এক নতুন অৰ্থ, ইয়াৰ ব্যৱহাৰ আৰু প্ৰকাৰ আদি বিষয়সমূহ এক নতুন দৃষ্টিভংগীৰে চোৱাৰ প্ৰয়োজনীয়তা আহি পৰিছে।

শৈক্ষিক সামগ্ৰীসমূহক বিভিন্ন ধৰণে ভাগ কৰা হৈছে। ইয়াক শিশুকেন্দ্ৰিক আৰু শিক্ষকন্দ্ৰিক

শৈক্ষিক সামগ্ৰী হিচাপে ভাগ কৰিব পাৰি। ইয়াৰ আন দুটা ভাগ হৈছে—

ক) দৃষ্টি নিৰ্ভৰ (visual)

খ) শ্ৰুতি নিৰ্ভৰ (audio/aural)

এই ভাগসমূহৰ উদ্দেশ্য আৰু ইয়াৰ ব্যৱহাৰৰ পদ্ধতি সম্পূৰ্ণ বেলেগ বেলেগ। সামগ্ৰীসমূহৰ বিষয়ে অধ্যয়ন কৰোতে মন কৰিবলগীয়া কথাটো হ'ল এই সামগ্ৰীসমূহে অকলে শৈক্ষিক পদ্ধতিবোৰৰ শুদ্ধতা নিশ্চিত নকৰে। প্ৰশ্নটো হ'ল শৈক্ষিক সামগ্ৰীসমূহৰ ব্যৱহাৰৰ পৰিকল্পনা কেনে ধৰণৰ? এই সামগ্ৰীসমূহ শ্ৰেণীকোঠাত কেনে ধৰণে ব্যৱহৃত হ'ব ইয়াৰ ব্যৱহাৰিক উদ্দেশ্য কি হ'ব? এই পাঠটিত ওপৰোক্ত প্ৰশ্নৰ আধাৰত এক সমীক্ষাত্মক আলোচনা কৰা হ'ব।

### ৯.১ শিকন উদ্দেশ্য (learning objectives) ঃ

পাঠটি অধ্যয়ন কৰাৰ পিছত তোমালোকে এই বিষয়ে জানিব পাৰিবা—

- শিকন সামগ্ৰীসমূহৰ প্ৰকাৰ স্পষ্টৰূপত প্ৰকাশ কৰা
- প্ৰয়োজনীয় সামগ্ৰীসমূহ চিনাক্ত কৰা
- উত্তম শিক্ষণ সামগ্ৰীসমূহ কি ইয়াৰ ওপৰত নিজৰ মনৰ ভাব প্ৰকাশ কৰা
- শিক্ষণ-শিকন সামগ্ৰী (TLM) আৰু শিক্ষণীয় উপকৰণ (Teaching aids)-ৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰা
- ভাষা শিক্ষাত শিকন সামগ্ৰী (language material)-ৰ ব্যৱহাৰিক বিশ্লেষণ
- শিকন সামগ্ৰী কেতিয়া, কেনেকৈ ব্যৱহাৰ কৰিব লাগে তাৰ বিষয়ে বোধগম্যতা বৃদ্ধি কৰা।

### ৯.২ শিক্ষাৰ অপৰিহাৰ্য সামগ্ৰী ঃ

শ্ৰেণীকোঠাত শিক্ষণীয় উপকৰণ পৰ্যাপ্ত পৰিমাণে থকাটো অতি দৰকাৰী। সেইদৰে স্কুল এখনৰো কিছুমান দৰকাৰী সা-সুবিধা পৰ্যাপ্ত পৰিমাণে থকাটো প্ৰয়োজন। প্ৰায়ে আমি মন নিদিয়া কথাটো হ'ল উপযুক্ত শিক্ষা প্ৰদানৰ বাবে প্ৰয়োজনীয় সামগ্ৰী থকাটো স্কুল এখনৰ বাবে দৰকাৰী। কিছুমান এনেকুৱা দৰকাৰী সামগ্ৰীৰ বিষয়ে আমাৰ মনলৈ সঘনে আহে কিন্তু কিছুমান সামগ্ৰীৰ বিষয়ে আমি স্পষ্ট নহওঁ। উদাহৰণস্বৰূপে প্ৰত্যেকজন শিশুৱে এখন বেঞ্চ, মেজ অথবা বহিবলৈ এখন চকী বিচাৰে; এটা পোহৰ উৎস যিয়ে পোহৰৰ সু-ব্যৱস্থা কৰিব পাৰি, তাৰোপৰি বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা, পস্ৰাৱগাৰ আৰু বহুতো বস্তু আমি বিচাৰো।

নতুন শিক্ষা আঁচনি ১৯৮৬ গোটেই দেশতে শিক্ষাৰ অগ্ৰগতিৰ বাবে চেষ্টা কৰা এক দৰকাৰী পদক্ষেপ। এই আঁচনিখনৰ জৰিয়তে প্ৰতিখন বিদ্যালয়ত দৰকাৰী সামগ্ৰীসমূহৰ বিষয়ে এক অধ্যয়নৰ কৰা হয়। ইয়াৰ ভিতৰত আছে কেইটামান প্ৰয়োজনীয় শ্ৰেণীকোঠা, বহিবৰ বাবে সুব্যৱস্থা, কিছু খেলৰ সামগ্ৰী, পুথিভঁৰালৰ কিতাপ ইত্যাদি। নিজৰ স্কুলখনৰ বিষয়ে চিন্তা কৰা আৰু ইয়াক সঠিকভাৱে পৰিচালনা কৰিবৰ বাবে কেনেকুৱা ধৰণৰ সামগ্ৰী প্ৰয়োজন হ'ব সেই বিষয়ে ভবাটো সমীচিন। তুমি

নিজৰ বিদ্যালয়খনত কোনবোৰ বস্তু পৰ্যাপ্ত পৰিমাণে আছিল আৰু কোনবোৰ বস্তুৰ অভাৱ পাইছিলা সেইটো মনত কৰিবলৈ চেষ্টা কৰা।

এই সকলোবোৰ বিদ্যালয়ৰ দৰকাৰী সামগ্ৰীৰ বাহিৰেও কিছুমান শিক্ষণৰ বাবে প্ৰয়োজনীয় শৈক্ষিক সামগ্ৰীও আছে।

**উন্নতিৰ খতিয়ান— ১**

১. নিম্নোক্তসমূহ দৰকাৰী সামগ্ৰী হয়নে? উত্তৰৰ সপক্ষে যুক্তি দৰ্শোৱা।

ক) চাৰ্ট, খ) ম'ডেল, গ) বেঞ্চ, ঘ) ভাষা শিক্ষাৰ কাৰ্ড

২. বিদ্যালয় এখনত কি কি দৰকাৰী সামগ্ৰী থকা উচিত?

..........................................................................................................

..........................................................................................................

..........................................................................................................

৩. তোমাৰ বিদ্যালয়ত কি কি সামগ্ৰীৰ অভাৱ তুমি অনুভৱ কৰা।

..........................................................................................................

..........................................................................................................

..........................................................................................................

**৯.৩ শৈক্ষিক সামগ্ৰীৰ প্ৰয়োজনীয়তা কি?**

শৈক্ষিক সামগ্ৰীৰ বিষয়ে প্ৰয়োজনীয় প্ৰশ্নটো হ'ল ইয়াক প্ৰধানকৈ কোনে ব্যৱহাৰ কৰিব? এই প্ৰশ্নটোৰ উত্তৰ বিচাৰিব লাগিলে আমি প্ৰথমতে শিক্ষণ-শিকন প্ৰক্ৰিয়া সম্পৰ্কে আমাৰ দৃষ্টিভংগী বিচাৰ কৰিব লাগিব। এক সাম্ভাব্য উত্তৰ হ'ল শিক্ষক এজনে কোনো এটা বিষয়ৰ জ্ঞান সৰল আৰু সহজভাৱে বাস্তৱিক ৰূপত প্ৰকাশ কৰিবৰ বাবে এই সামগ্ৰীসমূহ ব্যৱহাৰ কৰে। অৰ্থাৎ শিক্ষকে তেওঁৰ ব্যাখ্যা শুদ্ধৰূপত প্ৰকাশ কৰে। সাধাৰণতে শিশু এজনক নিৰৱে আৰু মনোযোগেৰে শুনি (শ্ৰৱণ) থকাটো শিক্ষকজনৰ কাম্য; তাৰোপৰি শিক্ষকজনে বিচাৰে যে শিশু এজনে তেওঁৰ প্ৰতিটো কথাই মনোযোগেৰে শুনি টোকা কৰি লওক আৰু তেওঁৰ নিৰ্দেশ অনুসৰি সামগ্ৰীসমূহ ব্যৱহাৰ কৰক। এই নিয়ম অনুসৰি চাৰ্ট (chart), স্লাইড (slides) আৰু আৰ্হিবোৰ (model) হৈছে কোনো বস্তুক প্ৰতিনিধিত্ব কৰাৰ মাধ্যম, যিবোৰ জ্ঞান ছাত্ৰ-ছাত্ৰীৰ থকা উচিত। এয়াই আমাৰ শিক্ষক কেন্দ্ৰিক ব্যৱস্থা। বৰ্তমান সময়লৈকে এই ব্যৱস্থা সমাজত গ্ৰহণযোগ্য আৰু জনপ্ৰিয় হৈ আছিল। এই ব্যৱস্থাত শিক্ষকজনেই হৈছে সৰ্বেসৰ্বা য'ত শৈক্ষিক সামগ্ৰীসমূহৰ ব্যৱহাৰ কেৱল শিক্ষকজনৰহে অধিকাৰ। ছাত্ৰ-ছাত্ৰীয়ে মাথো নিৰৱে তাক প্ৰত্যক্ষ কৰিব কিন্তু তেওঁলোকে ব্যৱহাৰ কৰিব নোৱাৰিব। ছাত্ৰ-ছাত্ৰীয়ে এই সামগ্ৰীসমূহ ব্যৱহাৰ কৰা মানে ইয়াক নষ্ট কৰা। আগৰ পাঠত তোমালোকে পাইছা যে শিক্ষাৰ এই প্ৰক্ৰিয়াটো বৰ্তমান সম্পূৰ্ণৰূপে গ্ৰহণযোগ্য নহয়, বিশেষকৈ প্ৰাথমিক স্তৰত। বৰ্তমানৰ শিশুকেন্দ্ৰিক শিক্ষা ব্যৱস্থাত শিশুসকলক

তেওঁলোকৰ নিজস্ব চিন্তাধাৰাৰ মাজেৰে জ্ঞান আহৰণ কৰিব পৰা সামৰ্থ থকা বুলি বিশ্বাস কৰা যায়। শিক্ষকসকলে তেওঁলোকৰ এই প্ৰচেষ্টাত পৰামৰ্শদাতা হিচাপেহে ভূমিকা পালন কৰিব লাগে। শিশুসকলে তেওঁলোকৰ নিজস্ব জ্ঞান, যুক্তি আদি আনে গঠন কৰা যুক্তি বা ধাৰণাক বিনা দ্বিদ্ধাই গ্ৰহণ কৰাতকৈ নিজে গঠন কৰা প্ৰচেষ্টাকহে প্ৰাধান্য দিয়া উচিত। বৰ্তমানৰ সৰ্বসন্মত শিক্ষা ব্যৱস্থাত শৈক্ষিক সামগ্ৰীসমূহ অকল শিক্ষকৰ দ্বাৰা ব্যৱহৃত সামগ্ৰী হৈ থকা নাই। শিক্ষণীয় উপকৰণে ছাত্ৰ-ছাত্ৰীৰ মনত প্ৰত্যক্ষ আবেদন সৃষ্টি কৰে, ধাৰণাক সম্পূৰ্ণ কৰে, অভিজ্ঞতাক বাস্তৱমুখী কৰে পাঠ্যপুথিৰ প্ৰতি ৰুচি জন্মায়। বিভিন্ন ধাৰণাৰ বাবে নিজৰ যুক্তি গঠনৰ ক্ষেত্ৰত এই সামগ্ৰীসমূহে শিশুসকলক সহায় কৰে। মাথোন শিশুসকলক এক সুস্থ পৰিৱেশ দিয়াটো দৰকাৰ য'ত সামগ্ৰীসমূহৰ সৈতে এক নিৰৱচ্ছিন্ন সম্পৰ্ক গঢ়িব পাৰে, সামগ্ৰীসমূহ পৰীক্ষা কৰিব পাৰে, ইয়াক ব্যৱহাৰ কৰিব পাৰে লগতে সামগ্ৰীসমূহ নিজে তৈয়াৰ কৰিব পাৰে বা ভাঙিব পাৰে আৰু বিভিন্ন ধৰণে উদ্ভাৱণ কৰিব পাৰে। শিক্ষাৰ এই উদ্দেশ্য সিদ্ধিৰ বাবে সামগ্ৰীসমূহ শিক্ষাৰ্থীৰ ব্যৱহাৰ ওপযোগী হোৱা উচিত অথবা তেওঁলোকৰ ঢুকি পোৱা বিধৰ হোৱা উচিত।

অন্য বিষয়ৰ তুলনাত ভাষা শিক্ষাৰ ক্ষেত্ৰত এই সামগ্ৰীসমূহৰ ব্যৱহাৰ অলপ বিশেষ ধৰণৰ। আগন্তুক পাঠত আমি ভাষা শিক্ষাৰ ক্ষেত্ৰত কেনেকুৱা ধৰণৰ সামগ্ৰী ব্যৱহাৰ কৰিব পাৰি আৰু শিক্ষাৰ দুই ধৰণৰ অৰ্থত কেনেকৈ ব্যৱহাৰ কৰিব পাৰি তাক আলোচনা কৰা হ'ব।

শিক্ষাৰ দুই ধৰণৰ দৃষ্টিভংগীৰ পৰিসৰত ব্যৱহৃত হোৱা কিছুমান দৰকাৰী শব্দ আৰু ইয়াৰ প্ৰয়োগবিধিৰ ওপৰতো এক সম্যক আলোচনা কৰা হ'ব। এই শব্দসমূহৰ প্ৰয়োগ ভাষা শিক্ষাৰ ক্ষেত্ৰত কেনেদৰে হয় তাকো আলোচনা কৰা হ'ব। শৈক্ষিক বাতাবৰণত শিক্ষণ-শিকন সামগ্ৰী (JLM) এই শব্দটো বৰ জনপ্ৰিয়। সেইদৰে শিক্ষণ সঁজুলি বা উপকৰণ (Teaching aid) শব্দটো সঘনে ব্যৱহৃত হয়। দুয়োটা শব্দকে বহুতে সমাৰ্থক শব্দ বুলি ক'ব বিচাৰে। কিন্তু দুয়োটা শব্দই বেলেগ বেলেগ সামগ্ৰীক সূচায় আৰু বিভিন্নজনে দিয়া ইয়াৰ ব্যৱহাৰ সম্পৰ্কে মন্তব্যও বিভিন্ন।

**উন্নতিৰ খতিয়ান— ২**

১. টি এল এম (TLM) শব্দৰ বিস্তৃত ৰূপটো কি?

ক) সম্পূৰ্ণ শ্ৰৱণ বিষয়বস্তু (TLM– Total Listening Matter)

খ) সম্পূৰ্ণ শিকন বিষয়বস্তু (TLM– Total Learning Matter)

গ) শিক্ষণ-শিকন সামগ্ৰী (TLM– Teaching Learning Material)

ঘ) শিক্ষণ-শিকন প্ৰক্ৰিয়া (TLM– Teaching Learning Module)

২. শিক্ষণ-শিকন সামগ্ৰীসমূহ কিয় (ল'ৰা-ছোৱালীৰ) শিশুই ঢুকি পোৱা হ'ব লাগে।

..........................................................................................................

..........................................................................................................

..........................................................................................................

৩. শিক্ষণ-শিকন সামগ্ৰীৰ অৰ্থ কি?

..............................................................................................................

..............................................................................................................

..............................................................................................................

৪. প্ৰাথমিক স্তৰৰ শ্ৰেণীৰ বাবে শিক্ষাৰ কোনটো দৃষ্টিভংগী গ্ৰহণযোগ্য বুলি বিবেচিত নহয়?

..............................................................................................................

..............................................................................................................

..............................................................................................................

**৯.৪ শিক্ষণ-শিকন সামগ্ৰী আৰু শিক্ষণ-সঁজুলি বা উপকৰণ ঃ**

শিক্ষণ-শিকন সামগ্ৰীয়ে (TLM) প্ৰতিটো শ্ৰেণীকোঠাৰ, প্ৰতিটো বিষয়ৰ সমস্যাসমূহ সমাধান কৰে। শিক্ষণ-শিকন সামগ্ৰীৰ ব্যৱহাৰে প্ৰকৃতাৰ্থক এক যাদুকাঠিৰ নিচিনা সকলোবোৰ পৰিৱৰ্তন ঘটায়। শিক্ষণ-শিকন সামগ্ৰী তৈয়াৰ কৰিবৰ বাবে কৰ্মশালাৰ আয়োজন কৰা হয়। তাত থাৰ্মক'ল (Thermo col), চাৰ্ট পেপাৰ (Chart paper), ৰং (Colour) আৰু সকলো ধৰণৰ সামগ্ৰী উপলব্ধ। শিক্ষকসকলে অশেষ যত্নৰে তেওঁলোকৰ কল্পনা আৰু সৃষ্টিশীলতাৰে অতি সুন্দৰ আৰু গাম্ভীৰ্যপূৰ্ণ আৰ্হি প্ৰস্তুত কৰে।

**৯.৫ প্ৰদৰ্শনৰ আৰ্হি আৰু সঁজুলি (বস্তু)**

যদি আমি এই আৰ্হিবোৰ আৰু ইয়াৰ গুণাগুণৰ বিষয়ে বিশ্লেষণ কৰো তেতিয়া তলত দিয়া প্ৰধান প্ৰশ্নসমূহ আমাৰ মনলৈ আহে ঃ

(১) এই আৰ্হিসমূহে শিশুৰ চিন্তাৰ খোৰাক যোগায়নে? শিশুৱে তেওঁৰ কল্পনাশক্তি, স্বাধীন চিন্তা গঢ় দিয়া আৰু প্ৰকাশ কৰাৰ বাবে এই আৰ্হিসমূহ ব্যৱহাৰ কৰিব পাৰেনে? অথবা এই আৰ্হিবোৰে মাত্ৰ কিছুমান তথ্যৰ যোগান ধৰে, প্ৰত্যেকে তাৰ নিৰ্হিত অৰ্থৰ অনুধাৱন কৰিব লাগে আৰু একে ধৰণে প্ৰকাশ কৰিব লাগে।

(২) এইবোৰৰ পৰা শিশুৱে কিবা শিকিব পাৰেনে? সিহঁতে এইবোৰ স্পৰ্শ কৰিব, পৰিৱৰ্তন ঘটাব অথবা বিশেষ ধৰণে ইয়াৰ বিকল্প কৰিব পাৰেনে?

অথবা

শিশুসকল এইবোৰ স্পৰ্শ কৰিলে ভাঙি যাব অথবা নষ্ট হ'ব বুলি ইয়াৰ পৰা দূৰত থাকিব লাগে।

(৩) শিশুসকলে এই সামগ্ৰীসমূহে পৰ্যাপ্ত পৰিমাণে পোৱা উচিতনে অথবা ইয়াক ব্যৱহাৰ কৰিব পাৰেনে?

অথবা

এই সামগ্ৰীসমূহৰ এটা আৰ্হি প্ৰস্তুত কৰাটো বৰ কঠিন কাম। প্ৰতিটো আৰ্হি প্ৰস্তুত কৰাৰ বাবে

যথেষ্ট সময় আৰু উৎসৰ প্ৰয়োজন হয় বাবে শিশুসকলৰ পক্ষে ইয়াক প্ৰস্তুত কৰাটো খুব কঠিন।

আচলতে, যদি সামগ্ৰী এটা বিশেষ ধৰণ (Type), তেন্তে ইয়াক শিক্ষণ-শিকন সামগ্ৰী বুলি গণ্য কৰা নহয়। শিক্ষণ-শিকন সামগ্ৰী (Teaching-learning material) সমূহ সাধাৰণ ভাষাত শিক্ষণ আৰু শিকনৰ সামগ্ৰী। অৰ্থাৎ যিবোৰ সামগ্ৰী শিক্ষণৰ ক্ষেত্ৰত সহায়ক হয় আৰু শিক্ষাৰ্থীৰ ক্ষেত্ৰক অৰ্থহীন বা গুৰুত্বহীন সেইবোৰেই শিক্ষণ উপকৰণ বা শিক্ষণ সঁজুলি (Teaching aids)।

শ্ৰেণীকোঠাত ব্যৱহৃত সামগ্ৰীসমূহৰ ভিতৰত বিভিন্ন ধৰণৰ চাৰ্ট (chart), আৰ্হি (models) (থাৰ্মক'ল অথবা প্লাষ্টিক আদিৰে গঢ়া) আদি শিক্ষণ প্ৰক্ৰিয়াত সহায়ক হোৱা ভাল সঁজুলিৰ উদাহৰণ যিবোৰ শিক্ষকে শিশুৰ বাবে পৰিকল্পনা কৰি প্ৰস্তুত কৰে। শিক্ষণ শিকণ প্ৰক্ৰিয়াত ই যথেষ্ট সহায়ক নহ'বও পাৰে। সাধাৰণতে শিক্ষকসকলে এইবোৰ প্ৰস্তুতকৰণৰ বাবে যথেষ্ট সময় লয় আৰু শিক্ষণ-শিকন সামগ্ৰী কোঠাত বহু বছৰ ধৰি সংৰক্ষিত কৰি ৰখা হয়। শিশুসকলৰ পক্ষে এইবোৰ স্পৰ্শ কৰা আনকি এক নিৰ্দিষ্ট সময়লৈ প্ৰত্যক্ষ কৰাটো সম্ভৱ নহয়। শিশুসকলে ইয়াক স্পৰ্শ কৰিলে অনুকৃতিবোৰ নষ্ট হোৱাৰ ভয় থাকে যিবোৰ পুনৰায় বনাবলৈ বা প্ৰস্তুত কৰিবলৈ যথেষ্ট সময় লাগে।

শ্ৰেণীকোঠাত ব্যৱহৃত একে ধৰণৰ শিক্ষণ সঁজুলি প্ৰায়বোৰ বিদ্যালয় অথবা DIETS-ত উপলব্ধ। এইবোৰৰ সাধাৰণ পাৰ্থক্য দেখা যায় ইয়াত ব্যৱহৃত সামগ্ৰী, ৰং আৰু প্ৰস্তুতকৰণৰ কৌশলৰ ভিত্তিত। এই অনুকৃতিসমূহ প্ৰস্তুত কৰাটো এক প্ৰত্যাহ্বান আৰু শিক্ষকৰ পক্ষে এক জটিল কৌশলপূৰ্ণ হাতৰ কাম। গতিকে শিশুৰ পক্ষে এইবোৰ সম্ভৱ নহয়। তেওঁলোকে ইয়াক এবাৰ কৌতুহ'লেৰে প্ৰত্যক্ষ কৰিব আৰু হয়তো পাহৰি যায়। ইয়াৰ পৰা কোনো ধৰণৰ জ্ঞান উপলব্ধ নহয়।

**৯.৬ শিক্ষণ-শিকন সামগ্ৰী কেনেকৈ সহায়ক হয়?**

শিক্ষণ-শিকন সামগ্ৰী কেনেদৰে সহায়ক হয় এই বিষয়টো জানিবলৈ আমি প্ৰথমে বিচাৰ কৰা উচিত যে আমি শিশুক কি শিক্ষা দিব বিচাৰো আৰু তেওঁলোকে কেনেকৈ শিকিব? যদি আমি শিশুসকলৰ শিকন প্ৰক্ৰিয়াত সক্ৰিয় হৈ থকা উচিত তেন্তে আমি তেওঁলোকক তেনেকুৱা সুবিধা প্ৰদান কৰাটো দৰকাৰ। সামগ্ৰীসমূহে এই ক্ষেত্ৰত সহায় কৰিব পাৰে। উদাহৰণস্বৰূপে যদি শিশুসকলক কোনো বস্তুৰ প্ৰকাৰ সম্পৰ্কে ধাৰণা কৰিবলৈ দিয়া হয় তেন্তে বাস্তৱিক (Conerete) বস্তুৰ ওপৰত ভিত্তি কৰি প্ৰকাৰ নিৰ্ধাৰণ কৰাটো সহজ হ'ব। এই বাস্তৱিক উপাদানবোৰ কোনো বস্তুৰ ৰং, আকৃতি, ওজন নাইবা আন কিবা হ'ব পাৰে। প্ৰকাৰ নিৰ্ধাৰণ কৰা সময়ত শিশুৱে এই বস্তুবোৰৰ বিষয়ে চিন্তা কৰি এটা যথাৰ্থ শব্দৰ দ্বাৰা চিহ্নিত কৰিব লাগে। ভাষা শিক্ষাৰ উন্নতিত পৰিবেশ অধ্যয়নৰ এটা অংশ উপাদান হিচাপে ব্যৱহৃত হ'ব পাৰে, প্ৰকাৰ নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত যিকোনো সামগ্ৰীৰ ব্যৱহাৰ কৰিব পাৰি আৰু এই সামগ্ৰীসমূহৰ ব্যৱহাৰৰ দ্বাৰা বিভিন্ন কাম কৰিব পৰা যায়। মুঠৰ ওপৰত শিকন প্ৰক্ৰিয়াটো আগবঢ়াই নিয়াৰ ক্ষেত্ৰত এই সামগ্ৰীসমূহ যথাৰ্থভাৱে চিনাক্ত কৰি আৰু ইয়াৰ মানদণ্ড উন্নত কৰি ইয়াক ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত যথেষ্ট সতৰ্কতা অৱলম্বন কৰা উচিত।

আমি বিভিন্ন স্তৰত ইয়াৰ অনুশীলন কৰিব পাৰো। কিছুমান উপাদানৰ ওপৰত ভিত্তি কৰি শিশুসকলক বস্তু বা সামগ্ৰীসমূহ বিচাৰি উলিয়াব দিব পাৰো। অথবা শিশুক প্ৰথমতে বস্তুবোৰ পৰীক্ষা কৰি ইয়াৰ উপাদান বাচি উলিওৱা আৰু তাৰ পিছত প্ৰকাৰ নিৰ্ধাৰণ কৰিব দিব পাৰো। লাহে লাহে

শিশুসকলক উপাদানসমূহ একলগ কৰি বস্তুবোৰ বাচি উলিওৱা অনুশীলনটো দিব পাৰো। উদাহৰণস্বৰূপে শিশুসকলক বৃত্ত আকৃতি অথবা বৰ্গাকৃতিৰ বস্তু বাচি উলিয়াব দিব পাৰো। এই প্ৰক্ৰিয়াটোৰ দ্বাৰা শিশুসকলৰ প্ৰকাৰ নিৰ্ধাৰণৰ বাবে দৰকাৰী সামৰ্থতাৰ বৃদ্ধি ঘটাব। আৰু ইয়াৰ লগে লগে বিভিন্ন স্তৰত প্ৰকাৰ নিৰ্ধাৰণ সামৰ্থতাৰো বৃদ্ধি ঘটাব। ই অকল ভাষা সামৰ্থতাৰ ওপৰতে সহায়ক নহয় বৰং ভাষাৰ বিভিন্ন প্ৰকাৰ নিৰ্ধাৰণত উপযুক্ত শব্দৰ প্ৰয়োগ কৰাত সহায়ক হ'ব।

যথোপযুক্ত সামগ্ৰী ব্যৱহাৰ কৰা আৰু শিশুক বিভিন্ন বিষয়ৰ জ্ঞান আহৰণত এই সামগ্ৰীসমূহৰ শৃংখলাবদ্ধভাৱে ব্যৱহাৰ কৰিবলৈ শিকোৱা প্ৰয়োজন, তেতিয়াহে শিশুৱে শিকিব পাৰিব।

**উন্নতিৰ খতিয়ান— ৩**

**অনুশীলনী ঃ**

১. নিম্নোক্ত কোনবিধ শিকাৰুৰ বাবে অৰ্থহীন

ক) শিক্ষণ-শিকন সামগ্ৰী (TLM)

খ) শিক্ষণীয় উপকৰণ (Teaching Aids)

গ) শিকন পদ্ধতি (Learning)

ঘ) অনুকৃতি বা আৰ্হি (Model)

২. 'শিক্ষণ শিকন সামগ্ৰী কোনো যাদু নহয়'— এই কথাযাৰিৰ অন্তৰ্নিহিত অৰ্থ কি?

.............................................................................................................

.............................................................................................................

.............................................................................................................

৩. শিক্ষণ-শিকন সামগ্ৰী (TLM) আৰু শিক্ষণ উপকৰণৰ (Teaching Aids) পাৰ্থক্য কি?

.............................................................................................................

.............................................................................................................

.............................................................................................................

৪. কি কাৰণে শিক্ষণ-শিকন সামগ্ৰী (TLM) শিশুৰে চুকি পোৱা হ'ব লাগে।

.............................................................................................................

.............................................................................................................

.............................................................................................................

৫. শিক্ষণ-শিকন সামগ্ৰীয়ে কেনেকৈ শিক্ষণ প্ৰক্ৰিয়াত সহায় কৰে আৰু কেনেকৈ এই সহায় আগবঢ়োৱা হয়?

.................................................................................................................

.................................................................................................................

.................................................................................................................

**৯.৭ ভাল বা উন্নত শৈক্ষিক সামগ্ৰী কি?**

যেতিয়া আমি কওঁ ভাল শৈক্ষিক সামগ্ৰীসমূহ কেৱল শিক্ষকৰ বাবে কোনো এটা বিষয় ব্যাখ্যা কৰা নাইবা তথ্যৰ যোগান ধৰাৰ বাবে নহয়, তেতিয়া এটা প্ৰশ্ন আমাৰ মনলৈ আহে। শিক্ষণৰ প্ৰক্ৰিয়াটোত সহায় কৰাৰ বাবে আন সামগ্ৰীৰ প্ৰয়োজন আছে নেকি? শ্ৰেণীকোঠাত থকা সাধাৰণ উপকৰণসমূহ যেনে ব্লেকবৰ্ড, চ'ক অথবা পাঠ্যপুথিৰ বাহিৰেও আন কিবা থকা উচিত নেকি? যদি আমি সঠিক ধৰণে শৈক্ষিক সামগ্ৰী আৰু এইবোৰৰ ব্যৱহাৰ সম্পৰ্কে জ্ঞাত নহওঁ তেনেহ'ল আমি কেনেদৰে এইবোৰ শ্ৰেণীকোঠাত ব্যৱহাৰ কৰিব পাৰিম? এইবোৰ ব্লেকবৰ্ডৰ বিকল্প হ'ব পাৰে নেকি? এই কথাবোৰ বিশ্লেষণ কৰিবলৈ আমি শিশুৱে কেনেদৰে শিকিব আৰু সিহঁতৰ শিকন প্ৰক্ৰিয়া কেনেকুৱা হোৱা উচিত এই কথাবোৰ চালিজাৰি চোৱাটো দৰকাৰ।

বৰ্তমান শিক্ষা ব্যৱস্থা সম্পৰ্কে যদি আমি অনুধাৱন কৰো আমি দেখা পাওঁ যে প্ৰতিজন ব্যক্তিয়ে শিশুকে ধৰি তেওঁলোকৰ নতুন অভিজ্ঞতা আৰু ধাৰণাক তেওঁৰ পূৰ্ব ধাৰণাৰ সৈতে ৰজিতা খোৱাই লয়। পূৰ্বজ্ঞানৰ আধাৰত নতুন জ্ঞান আহৰণ কৰা হয়। এইটো স্পষ্ট যে বাস্তৱিক অভিজ্ঞতাৰ আধাৰত অবাস্তৱিক ধাৰণা গঢ়িবলৈ শিশুসকল যত্নপৰ হয় সেই ধাৰণাক সঠিক ৰূপ দিয়ে। প্ৰকৃতাৰ্থত প্ৰতিজন শিশুৱে তেওঁলোকৰ নিজস্ব ধৰণেৰে এনেকৈ জ্ঞান আহৰণ কৰে। শিক্ষাৰ্থীসকলে শিক্ষণ শিকন প্ৰক্ৰিয়াত এক বিশেষ ভূমিকা গ্ৰহণ কৰে আৰু তেওঁলোকৰ যোগদান বিশেষভাৱে প্ৰয়োজনীয় বিদ্যালয়ত শিশুসকল নিৰৱ দৰ্শক হোৱাটো বৰ্তমান শিশুকেন্দ্ৰিক শিক্ষা ব্যৱস্থাত উচিত নহয়। এই ক্ষেত্ৰত শৈক্ষিক সামগ্ৰীসমূহে শিক্ষাৰ্থীৰ বাস্তৱ অভিজ্ঞতাক প্ৰতিনিধিত্ব কৰে আৰু শিশুক জ্ঞান আহৰণত সহায় কৰে।

গতিকে শৈক্ষিক সামগ্ৰীসমূহে শিশুক নতুন জ্ঞান আহৰণ প্ৰক্ৰিয়াত এইবোৰ ব্যৱহাৰ কৰি আৰু পৰীক্ষা কৰি চোৱাত সহায় কৰে। শিশুসকলক এই সামগ্ৰীসমূহ নষ্ট নকৰাকৈ ব্যৱহাৰ কৰিব দিব লাগে আৰু সামগ্ৰীসমূহৰ দ্বাৰা জ্ঞান আহৰণৰ সৈতে জড়িত কাৰ্য কৰিব দিব লাগে। এইবোৰ নষ্ট হোৱাৰ ভয় বা শংকা তেওঁলোকৰ মনত জাগ্ৰত হ'ব দিব নালাগে। তেওঁলোকক এই সামগ্ৰীসমূহ লাৰি-চাৰি চোৱা, এইবোৰ উদ্ভাৱন কৰা আৰু বিশ্লেষণ কৰাৰ সুবিধা দিব লাগে আৰু এইবোৰৰ সহায়ত শিকন কাৰ্যকলাপৰ পুনৰাবৃত্তি কৰিব পাৰে। উদাহৰণস্বৰূপে অবাস্তৱিক ধাৰণাৰ বিষয়ে বোধগম্য হ'বলৈ যিকোনো এবিধ বাস্তৱসন্মত শিক্ষণ শিকন (TLM)-ৰ প্ৰয়োজন যাতে যিকোনো পৰিৱেশতে এই ধাৰণাসমূহ খাপ খায়। নতুন ধাৰণা গঢ় দিয়া আৰু ইয়াক চহকী কৰাৰক্ষেত্ৰত এইবোৰ খুবেই প্ৰয়োজন শিক্ষণ শিকন সামগ্ৰীয়ে শিশুক তেওঁলোকৰ নতুন ধাৰণা আৰু নতুন জ্ঞান আহৰণত সুবিধা প্ৰদান

কৰে।

মন কৰিবলগীয়া শিশুৱে লাহে লাহে বাস্তৱিক সামগ্ৰীৰ (conerete materials)-ৰ অবিহনে বিষয়বস্তুৰ ধাৰণা গঢ়িবলৈ বা বোধগম্য হ'বলৈ সক্ষম হয়। ইয়াৰ অৰ্থ হ'ল বিষয়বস্তু বোধগম্য হ'বলৈ শিক্ষণ-শিকন আহিলা/সামগ্ৰী এক মাধ্যম হে; শিক্ষণ-শিকন আহিলা/সামগ্ৰী এক মাধ্যমহে; শিক্ষণ শিকন প্ৰক্ৰিয়াৰ উপাদান নহয়। শ্ৰেণীকোঠাৰ উদ্দেশ্য স্পষ্ট নহ'লে এই সামগ্ৰীসমূহৰ ব্যৱহাৰে কোনো ধৰণৰ সহায় কৰিব নোৱাৰে। এইখিনিতে এইটো উল্লেখ কৰিবলগীয়া যে বেলেগে বেলেগ বয়সৰ শিশুৰ ক্ষেত্ৰত আৰু বেলেগ বেলেগ শ্ৰেণীৰ আৰু বিভিন্ন বিষয়ৰ শিক্ষাৰ্থীৰ বাবে শিক্ষণ-শিকন সামগ্ৰীৰ অৰ্থ একে নহবও পাৰে। একেটা বিষয়ৰে প্ৰতিটো ভাগৰ ক্ষেত্ৰত আনকি একেটা পাঠৰে প্ৰতিটো শিকণীয় উপাদানৰ ক্ষেত্ৰতো একে নহ'ব পাৰে। শিক্ষণ-শিকন সামগ্ৰীৰ বৈশিষ্ট্য আৰু ইয়াৰ প্ৰয়োগবিধি বেলেগ বেলেগ।

বৰ্তমান শৈক্ষিক সামগ্ৰীসমূহ শিক্ষকসকলৰ সৃষ্টিশীলতা আৰু শিল্পাত্মক (artistic) সক্ষমতা দেখুৱাবৰ বাবেহে বনোৱা হয়। শিক্ষণ-শিকন সামগ্ৰীসমূহ শিক্ষণ-শিকন কোঠা (TLM Room) অথবা অধ্যক্ষৰ কোঠা শুৱনি কৰাৰ বাবেহে সজা হয়। যেতিয়া শিক্ষণ-শিকন সামগ্ৰী বিষয়ে আলোচনা কৰা হয় তেতিয়া মনকৰিবলগীয়া বিষয়টো হ'ল এই সামগ্ৰীসমূহৰ ব্যৱহাৰ আৰু তেওঁলোকে কেনেকৈ ইয়াৰ কাম কৰে। শিশুৱে যদিহে এই সামগ্ৰীসমূহ পৰ্য্যবেক্ষণ কৰে, পৰীক্ষা কৰে, তুলি লয়, দলিয়াই আৰু সামগ্ৰীসমূহ উদ্ভাৱন কৰাৰ চেষ্টা কৰে তেন্তে এইবোৰৰ আকৃতি বেলেগ বেলেগ হোৱা উচিত। প্ৰদৰ্শনৰ বাবে ৰখা সামগ্ৰী আৰু শিশুসকলে ব্যৱহাৰ কৰা সামগ্ৰীসমূহ বেলেগ বেলেগ হোৱা উচিত। শিশুৰ দ্বাৰা ব্যৱহৃত সামগ্ৰীসমূহ অতি ব্যয়বহুল আৰু সহজে নষ্ট হোৱা বিধৰ হ'ব নালাগে।

যিটো শ্ৰেণীকোঠাত শিক্ষাৰ্থীসকলে শিক্ষণ-শিকণ প্ৰক্ৰিয়াত ভাগ লগ আৰু তেওঁলোকৰ বোধগম্যতাৰ উন্নতিৰ বাবে চেষ্টা কৰা হয়, সেইটো খুব আকৰ্ষণীয় হোৱা উচিত। আকৰ্ষণীয় শ্ৰেণীকোঠাৰ অৰ্থ এইটো নহয় যে শ্ৰেণীকোঠাটো দেখিবলৈ কিমান ধুনীয়া। তাৰ সলনি শ্ৰেণীকোঠা এটাত শিক্ষাৰ্থীসকলৰ ব্যৱহাৰপযোগী হোৱা উচিত য'ত প্ৰতিজন শিশুকে অভিনন্দন জনোৱা হয় আৰু তেওঁলোকে একোজন সদস্য বুলি অনুভৱ কৰিব পাৰে। তেওঁলোকে কোনো বস্তু বা সামগ্ৰী স্পৰ্শ কৰিলে, লেতেৰা হ'ব বুলি বা নষ্ট হ'ব বুলি যাতে তেওঁলোকৰ ভয় নহয় তেনেকুৱা শ্ৰেণীকোঠাৰ পৰিৱেশ হোৱা উচিত। প্ৰাথমিক বিদ্যালয়ৰ সৌন্দৰ্য হ'ল প্ৰতিজন সক্ৰিয় সুখী আৰু আনন্দিত শিশু। কোঠাটোত থকা ৰঙীনবেৰ, ধুনীয়া চাৰ্ট বা বেৰত ওলোমাই থোৱা বস্তু বা কোঠাত সজাই থোৱা সামগ্ৰীয়ে শ্ৰেণীকোঠাৰ সৌন্দৰ্য বৰ্ধন নকৰে। প্ৰাথমিক বিদ্যালয় এখনৰ শ্ৰেণীকোঠাৰ সৌন্দৰ্য্য বৰ্ধনৰ বাবে আৰু আকৰ্ষণীয় কৰিবৰ বাবে আমি এনেকুৱা সামগ্ৰী আৰু পদ্ধতি বিচাৰো যিবোৰে ল'ৰা-ছোৱালীক সক্ৰিয় কৰি ৰাখে তেওঁলোকে যুক্ত আৰু সমৰ্থবান বুলি অনুভৱ কৰিব পাৰে। তেওঁলোকে যাতে সামগ্ৰীসমূহ নিজৰ বুলি অনুভৱ কৰিব পাৰে আৰু এই সামগ্ৰীসমূহে যাতে তেওঁলোকৰ ধাৰণা আৰু অভিজ্ঞতাক উন্নত কৰিব পাৰে।

**উন্নতিৰ খতিয়ান— ৪**

১. নিম্নোক্ত কোনটো প্ৰাথমিক বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ সৌন্দৰ্যবৰ্ধন কাৰক?

ক) ৰঙীন বেৰ, খ) ৰঙীন চাৰ্ট, গ) আনন্দিত আৰু সক্ৰিয় শিশু, ঘ) অন্য আকৰ্ষণীয় সামগ্ৰী

২. ভাল/উন্নত শৈক্ষিক সামগ্ৰীৰ বৈশিষ্ট্য কি?

........................................................................................................................

........................................................................................................................

........................................................................................................................

৩. শিকন-শিক্ষণ প্ৰক্ৰিয়া শিশুৰ ভূমিকা কিয় প্ৰয়োজনীয়?

........................................................................................................................

........................................................................................................................

........................................................................................................................

৪. শৈক্ষিক সামগ্ৰীৰ কোঠা কেনেকুৱা হোৱা উচিত?

........................................................................................................................

........................................................................................................................

........................................................................................................................

### ৯.৮ এবিধ সামগ্ৰীৰে আমি কি কৰিব পাৰো?

শিকনৰ বাবে বহুতো সামগ্ৰীৰ প্ৰয়োজন নাই। প্ৰতিটো কামৰ বাবে বেলেগ বেলেগ সামগ্ৰীৰ প্ৰয়োজন নাই যদি শিকনৰ উদ্দেশ্য আমাৰ স্পষ্ট হয় আৰু আমি অলপ সচেতনাৰে চিন্তা কৰিলে দেখা পাওঁ যে মাত্ৰ এবিধ শৈক্ষিক সামগ্ৰীকেই বিভিন্ন কাৰ্য্যত ব্যৱহাৰ কৰিব পাৰো। অকল এটা বিষয়তেই নহয় আন বিষয়ৰ শিকনৰ ক্ষেত্ৰতো আমি এবিধ সামগ্ৰীৰ ব্যৱহাৰ কৰিব পাৰো। উদাহৰণস্বৰূপে আমি ঘনকীয় পাশা (cubical dice) ল'ব পাৰো। প্ৰতিটো ঘনক আকৃতিৰ (cube) ওপৰত ফুট দি পাশা বনাব পাৰো। তাৰ পিছত শিশুসকলক সৰু সৰু শিলগুটি সংগ্ৰহ কৰি (peltsles) পাশাগুটিৰ (dice)-ৰ ওপৰত যিমান সংখ্যা আছে সিমান সংখ্যক শিলগুটি বুটলিব কোৱা হ'ব।

লগে লগে পুনৰ খেলটোৰ পৰিৱৰ্তন কৰি ২-৩ বা ইয়াতকৈ বেছি শিলগুটি দলিয়াই কোনে কিমান শিলগুটি পায় তাক চাব পাৰো। খেলটো দলীয়ভাৱে কৰিব পৰা যায়। এতিয়া কোনজন শিশুৱে বেছি শিলগুটি পাইছে আৰু কোনে আটাইতকৈ কম শিলগুটি পাইছে সেইটো পৰীক্ষা কৰি চাব পাৰো। তেনেকুৱা বিভিন্ন খেলৰ বিষয়ে আমি চিন্তা কৰিব পাৰো। পাশা (dice) দলিওৱা আৰু তাক ৰেকৰ্ড কৰা, কাগজৰ ওপৰত ঘনকীয় (cube) বোৰ থৈ কিমানটা ঘনক (cube) কাগজখন ঢাকিবলৈ প্ৰয়োজন হ'ব ইত্যাদি চাব পাৰো। এনেকৈ কাগজখনৰ ক্ষেত্ৰফল পৰীক্ষা কৰিব পাৰো। তেনেদৰে ঘনকৰ সহায়ত

বিভিন্ন বস্তু সজা, তাৰ আকৃতি বৰ্ণনা কৰা, অথবা ছবি আৰু শব্দ কাৰ্ডৰ (word card)-ৰ সহায়ত শিকনৰ বিভিন্ন কাৰ্যকলাপ কৰিব পৰা যায়।

**৯.৯ ভাষা-শিক্ষাৰ ক্ষেত্ৰত কাৰ্ডৰ ব্যৱহাৰ ঃ**

ভাষা শিক্ষাৰ ক্ষেত্ৰত কাৰ্ডৰ ব্যৱহাৰ অতি দৰকাৰী। কাৰ্ডৰ ব্যৱহাৰৰ উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীক ভাষাৰ অনুধাৱন কৰোৱা। ছাত্ৰ-ছাত্ৰীসকলক আমি ছবিৰ কাৰ্ডৰ সৈতে শব্দৰ কাৰ্ড মিলাব দিব পাৰো অথবা এখন শব্দৰ কাৰ্ড লৈ তেনেকুৱা একে শব্দৰ কাৰ্ড বিচাৰি উলিয়াব দিব পাৰো। তাৰ পিছত শব্দৰ কাৰ্ড দুখন একেলগ কৰি এটা সাধু সজাবলৈ ক'ব লাগে। একেদৰে ছবি কাৰ্ডৰ (pictture curd)-ৰ সহায়তো কথোপকথন, আলোচনা, কল্পনা শক্তিক প্ৰসাৰিত কৰা, বৰ্ণনা দিয়া আৰু সাধু সজাই পৰাই কোৱা আদিৰ বাবে ব্যৱহাৰ কৰিব পাৰি। প্ৰাৰম্ভিকত এই অনুশীলন মৌলিক আৰু পিছত লিখিত ৰূপত হ'ব পাৰে। যিকোনো শ্ৰেণীতে বিভিন্ন স্তৰত বিভিন্ন উদ্দেশ্যৰে এই কাৰ্ড বিভিন্ন ক্ৰিয়াকলাপৰ জৰিয়তে ব্যৱহাৰ কৰিব পাৰি। উদাহৰণ স্বৰূপে প্ৰথম শ্ৰেণী আৰু তৃতীয় শ্ৰেণীত শব্দৰ কাৰ্ডৰ প্ৰয়োগ কৰিব পৰা যায়।

শিকন-শিক্ষণ প্ৰক্ৰিয়াৰ উদ্দেশ্য আৰু বোধগম্যতাৰ ভিত্তিত এইটো স্পষ্ট যে একেটা সামগ্ৰীকে বিভিন্ন উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰিব পাৰি। গতিকে দেখা যায় যে ব্যৱহাৰ কৰোতাজনে শিশুসকলে কি শিকা উচিত, ইয়াৰ বাবে কি উপায় লোৱা উচিত আৰু কেনেকুৱা ক্ৰিয়াকলাপ দৰকাৰী সেইটো বুজি পালেহে শিক্ষণ-শিকন সামগ্ৰীৰ (TLM)-ৰ ব্যৱহাৰ সাৰ্থক হ'ব। নিশ্চিতভাৱে ছাত্ৰ-ছাত্ৰীসকলে এই কাৰ্য্যকলাপত সক্ৰিয় যোগদান দিলে আমাৰ চৌপাশৰ পৰা সামগ্ৰীসমূহ বিচাৰি উলিওৱাটো বেছি কঠিন নহ'ব।

**উন্নতিৰ খতিয়ান— ৫**

১. ভাষা শিক্ষাৰ ক্ষেত্ৰত কাৰ্ডৰ ব্যৱহাৰৰ উদ্দেশ্য হ'ল—

ক) পঢ়িবলৈ/পঠন কৰিবলৈ/শিকাৰ সময়ত পঠনৰ বিষয়বস্তু ভালদৰে আয়ত্ত কৰা বা বোধগম্য হোৱা

খ) ছবি প্ৰত্যক্ষ কৰা

গ) ছবি বনোৱা

ঘ) চিঠি/বৰ্ণমালা আদি লেখা

২. শ্ৰেণীকোঠাত এটা বল আমি কি কি ক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰো।

...........................................................................................................

...........................................................................................................

...........................................................................................................

৩. ভাষা শিক্ষাত আমি ‘শব্দৰ কাৰ্ড’ আৰু ছবি কাৰ্ড কেনেদৰে ব্যৱহাৰ কৰো?

..............................................................................................................

..............................................................................................................

..............................................................................................................

৯.১০

**ভাষা শিক্ষাত শিকনৰ বাবে ব্যৱহৃত সামগ্ৰী আৰু ইয়াৰ অৰ্থৰ বিষয়ে বোধগম্য হোৱা**

‘ভাষা শিকন’ আৰু ‘ভাষা শিক্ষণ’ৰ মাজত যি পাৰ্থক্য পৰিলক্ষিত হয় তাৰ ওপৰত নিৰ্ভৰ কৰি সামগ্ৰীৰ বৈশিষ্ট্য আৰু ব্যৱহাৰতো পৰিৱৰ্তন দেখা যায়। কোনো নিৰ্দিষ্ট কবিতা আৰু এটা গল্প শিকোৱাটো বা ব্যাখ্যা কৰাটো উদ্দেশ্য হ’লে তাৰ সৈতে জড়িত শিক্ষণ প্ৰক্ৰিয়া আৰু ব্যৱহৃত সামগ্ৰী অলপ বেলেগ প্ৰকাৰৰ হ’ব। কিন্তু যদিহে শিক্ষণ উদ্দেশ্য শিকাৰুক স্বাধীন চিন্তাশক্তিযুক্ত এজন ভাবপ্ৰৱণ আৰু জ্ঞানী ব্যক্তি হিচাপে গঢ় দিয়া হয় যিয়ে সাহিত্য সম্পৰ্কে এক ৰুচিবোধ আৰু আন বিষয়ৰ প্ৰতিও ৰুচি থাকে তেন্তে আশাটো বেলেগ হ’ল। যদি আমি বিচাৰো যে শিকাৰুৱে তেওঁৰ মনৰ ভাব আৰু স্পষ্ট ৰূপত প্ৰকাশ কৰক তেন্তে ইয়াৰ বাবে ব্যৱহৃত শিক্ষণ সামগ্ৰী আৰু ইয়াৰ প্ৰকাৰো বেলেগ হ’ব।

এইটো স্পষ্ট হ’ব লাগে যে আমি শিশুজনে শুদ্ধ উচ্চাৰণ আৰু সুৰ ছন্দ ব্যৱহাৰ কৰি পাঠ্যপুথিৰ পৰা কবিতা/পদ্য এটা আবৃত্তি কৰাটো বিচাৰো নে শিশুজনে এটা গান গোৱা বা কবিতা এটা আবৃত্তি কৰাটো বিচাৰো। আমি শিকাৰুক তেওঁৰ মুখস্থ শক্তিৰ দ্বাৰা এখন ৰচনা লিখা অথবা প্ৰশ্নৰ উত্তৰ কৰিবলৈ কোৱা উচিত নে তেওঁৰ অভিজ্ঞতা আৰু ধাৰণাক প্ৰকাশ কৰিবলৈ কোৱা উচিত। শিশু এজনে যিকোনো নতুন পৰিস্থিতিত ভাষাৰ শুদ্ধ ব্যৱহাৰ কৰাৰ আত্মবিশ্বাস থকা উচিতনে? যদি আমাৰ উদ্দেশ্য এজন শিশুক এজন স্বাধীন আৰু দক্ষ ব্যক্তি হিচাপে গঢ় দিয়াটো হয় যিয়ে ভাষা শুদ্ধভাৱে ব্যক্ত কৰিব পাৰে তেন্তে শ্ৰেণী কোঠা এটাত তেওঁক সম্পূৰ্ণ স্বাধীন পৰিবেশ বা সুযোগ এটা দিয়া উচিত য’ত তেওঁ মনৰ ভাব প্ৰকাশ কৰিব নিৰ্ভয়ে পাৰে।

ইয়াৰ বাবে আমি আকৰ্ষণীয়, কৌতুহ’লপূৰ্ণ আৰু মনোমোহা ছবিৰ ব্যৱহাৰ কৰিব পাৰো। তাৰোপৰি শিশুক একেলগে দলত কাম কৰাৰ সুবিধা প্ৰদান কৰিব লাগে যাতে তেওঁলোকে ভাবৰ আদান-প্ৰদান কৰিব পাৰে। শিক্ষণ প্ৰক্ৰিয়া এনেকুৱা হ’ব লাগে যাতে তেওঁলোকে মুকলিমূৰীয়াকৈ নিজৰ ধাৰণা গঢ় দিব পাৰে। ছবিৰ বাহিৰেও আন শিক্ষণ সামগ্ৰীৰো ব্যৱহাৰ কৰিব পাৰি যিবোৰে শিশুক ভাবিবলৈ, আলোচনাত ভাগ ল’বলৈ আৰু নিজৰ ভাব গঢ় দিবলৈ তথা মুক্তভাৱে সেই ভাব যিকোনো নতুন পৰিবেশত প্ৰকাশ কৰিবলৈ প্ৰেৰণা যোগায়।

কথন আৰু সৰব পঠন হৈছে এনে শিক্ষণ প্ৰক্ৰিয়া যিয়ে শিশুক এক সীমিত জ্ঞানৰ মাজত ৰাখে আৰু মানৰ মনৰ উন্নতিত বাধা দিয়ে। নতুন ধাৰণা গঢ় দিয়া বা বোধগম্য হোৱাত ই বাধা দিয়ে। ভাষাৰ শুদ্ধ আৰু মুক্ত ব্যৱহাৰৰ বাবে এনে এক পৰিৱেশৰ দৰকাৰ য’ত শিকাৰুৱে মুক্তভাৱে ভাবিব পাৰে বা তেওঁৰ কল্পনা শক্তি জাগ্ৰত কৰিব পাৰে।

বিভিন্ন ঘটনা সন্নিবিষ্ট ছবি, অথবা ধাৰাবাহিকভাৱে থকা বহুতো কাৰ্যৰ ছবিসমূহ গোটাই সেইবোৰ প্ৰত্যক্ষ কৰি তাৰ পৰা সাধু বা গল্প সজাৰ সুবিধা দিব লাগে। অকল ছবিখন প্ৰত্যক্ষ কৰায়ে নহয়, শিশুসকলৰ ছবিৰ অন্তনিৰ্হিত অৰ্থৰ সৈতে নিজৰ কল্পনা শক্তিৰ ব্যৱহাৰ কৰি তাক সুন্দৰ শব্দৰে প্ৰকাশ কৰাৰ সুবিধা দিয়া উচিত।

**উন্নতিৰ খতিয়ান— ৬**

(১) এক নতুন পৰিৱেশত শিশুৱে কেনেদৰে আত্মবিশ্বাসেৰে ভাষাৰ প্ৰয়োগ কৰিব পাৰে ইয়াৰ বাবে আমি কি কৰা উচিত?

(ক) শিশুজনক তেওঁলোকৰ ধাৰণাক মুক্তভাৱে গঢ় দিয়া আৰু কল্পনাশক্তিক প্ৰকাশ কৰাৰ সুবিধা দিব লাগে।

(খ) শিশুক কেৱল প্ৰশ্নৰ উত্তৰ মনত কৰিব দিব লাগে।

(গ) ছবিত থকা পদ্য এটা আবৃত্তি কৰিব দিব লাগে।

(ঘ) বিশেষ ধৰণৰ গল্প আৰু কবিতা শিশুৰ আগত ব্যাখ্যা কৰিব লাগে।

(২) এটা শ্ৰেণীকোঠাত ভাষা শিক্ষণৰ বাবে কেনেকুৱা সামগ্ৰী তুমি ব্যৱহাৰ কৰিব পাৰা? শিশুৱে সেই সামগ্ৰীৰে ব্যৱহাৰ কৰি কি কৰিব পাৰে?

..............................................................................................................

..............................................................................................................

..............................................................................................................

(৩) সাধু কোৱাৰ বা সাধু এটা সজাই পৰাই সৃষ্টি কৰিবলৈ দিলে কেনেদৰে শিশুৰ ভাষাৰ উন্নতি হ'ব পাৰে?

..............................................................................................................

..............................................................................................................

..............................................................................................................

**৯.১১**

**ভাষা শ্ৰেণীকোঠাত কেনেকুৱা ধৰণৰ সামগ্ৰীৰ ব্যৱহাৰ কৰিব লাগে?**

ভাষা শিক্ষাৰ শ্ৰেণীকোঠাত শিশুক অকল ভাষাৰ শিক্ষা পাঠ্যপুথিত থকা কাৰ্য্যকলাপ কৰোৱাটো উদ্দেশ্য নহয়। ভাষা-সামৰ্থতা উন্নতি কৰাটোৱেহে ভাষা শিক্ষাৰ উদ্দেশ্য। গতিকে ভাষাৰ দক্ষতা বৃদ্ধিৰ বাবে আমি তেনেকুৱা উৎসৰ যোগান ধৰা উচিত যিবোৰ শিশুৰ কল্পনা শক্তি বৃদ্ধি কৰে। এই সামগ্ৰীসমূহ মৌখিক অথবা লিখিত হ'ব পাৰে। তাৰ বাহিৰে শিক্ষকৰ ব্যৱহৃত সামগ্ৰী আৰু শিশুৰ ব্যৱহৃত সামগ্ৰীও থকা উচিত। লিখন ভাষা শিক্ষাৰ এক দৰকাৰী অংগ। বৰ্দ্ধিত শিশুৱে এনেকুৱা কিছুমান সামগ্ৰী বিচাৰে

যিবোৰে তেওঁলোকে নতুন শব্দ ব্যৱহাৰ কৰিবলৈ আৰু কথোপকথনত ভাগ ল'বলৈ প্ৰেৰণা যোগায়। তেওঁলোকৰ বাবে বেলেগ বেলেগ ভাষা শুনাৰ (শ্ৰৱণ) সুবিধা থকাটো আৰু তাৰ অন্তৰ্নিহিত লয় (intourtion) যতি, বিৰাম আদি বোধগম্য হোৱাটো খুব দৰকাৰী। এইটো এটা ভাষা দক্ষতাৰ এটা অংশ।

ভাষা শিক্ষাৰ ক্ষেত্ৰত ব্যৱহৃত সামগ্ৰীসমূহৰ তালিকা প্ৰস্তুত কৰিলে আমি দুই ধৰণৰ সামগ্ৰীৰে প্ৰকাৰ দেখিবলৈ পাওঁ—

(১) মৌখিক সামগ্ৰী

(২) লিখিত সামগ্ৰী

লিখিত সামগ্ৰীৰ ভিতৰত পাঠ্যপুথি, ক্ৰিয়া-কলাপ পুথি হ'ল দৰকাৰী উপাদান। ইয়াৰ বাহিৰেও বেনাৰ, কবিতা, গীত, শব্দ, লেখাচিত্ৰ (Charts), ৰেখাচিত্ৰ (graphs), বৰ্ণমালা, ছবি, বিভিন্ন কাৰ্ড, পুথিভৰাল, আলোচনী, কিতাপ বাতৰি কাকত, সাময়িক কাকত (periodical) বেৰৰ আলোচনী বাতৰি বোৰ্ড, ঘোষণা বোৰ্ড (bulletin board) আদি লিখিত উপকৰণৰ তালিকাত অন্তভূক্ত।

মৌখিক সামগ্ৰীৰ অন্তৰ্গত হ'ল সেইবোৰ পাঠ্য যিবোৰ ৰেডিঅ', টেপৰেকৰ্ডাৰ কলগান (gramophone), চি ডি প্লেয়াৰ (CD player), ফিল্ম প্ৰজেক্টৰ (filmprojector) আদিৰ মাজেৰে শিশুসকলৰ ওচৰলৈ যায়। এই শ্ৰুতি নিৰ্ভৰ সামগ্ৰীসমূহে ভাষা শিক্ষণত বহুতো সহায় কৰে। এইবোৰে অকল এটা কবিতা শুনা বা এখন নাটক শুনাতহে যে সহায় কৰে তেনে নহয়, এইবোৰৰ ব্যৱহাৰে মহান পুৰুষ আৰু কবি সাহিত্যিকসকলৰ ভাষণৰ পৰা ভাষাৰ শুদ্ধতা, উচ্চাৰণ, ভাষাৰ ঠাঁচ, লয় আৰু স্বৰাঘাত (Aeceat) শিকিব পাৰি। অভিনেতা, অভিনেত্ৰীসকলৰ কথোপকথনৰ কৌশল, গীত, অংগ-প্ৰত্যংগৰ চলন, ছন্দ আদিৰ বিষয়েও জানিব পাৰি। এই সামগ্ৰীসমূহ আনৰ কথোপকথন শুনা আৰু তাক বুজি পোৱা আৰু তেওঁলোকৰ ভাষাৰ শুদ্ধ উচ্চাৰণ, কৌশল বুজি প্ৰশংসা কৰিবলৈও শিকায়। এইখিনিতে মন কৰিবলগীয়া যে অকল মৌখিক সামগ্ৰীসমূহ যিবোৰ ৰেডিঅ', টেপৰেকৰ্ডাৰ অথবা চিডি প্লেয়াৰ আদিৰ যোগেদি আহে সেইবোৰ, অতি উন্নত মানদণ্ডৰ হ'ব লাগে। অকল উন্নত মানৰ যন্ত্ৰৰ ব্যৱহাৰে এই ক্ষেত্ৰত সহায় নকৰে।

কম্পিউটাৰ, ইণ্টাৰনেট আদিৰ ব্যৱহাৰেও ল'ৰা-ছোৱালীক ভাষা শিক্ষাত সহায় কৰে। এইবোৰে শিশুক অকল ব্যক্তিগত প্ৰকাশভংগী উন্নত কৰাতে যে সহায় কৰে তেনে নহয় বৰঞ্চ বিভিন্ন কাৰ্যকলাপ যেনে ছবি আৰু দৃশ্য আদিৰ সৈতে নিজকে ব্যস্ত ৰখাতো সহায় কৰে। এটা শ্ৰেণীত পাঠদান কৰোতেও এইবোৰ ব্যৱহাৰ কৰিব পাৰি। এই দৃষ্টি শ্ৰুতি নিৰ্ভৰ উপকৰণবিলাক সংগ্ৰহ কৰা টান আৰু ব্যৱহাৰো কম। কিন্তু ভাষা শিক্ষাদানৰ ক্ষেত্ৰত এনে জাতীয় উপকৰণৰ সুবিধা অত্যাধিক। এইবিলাকৰ জৰিয়তে ভাল ভাল কবিতা, আবৃত্তি, ভাষণ, গান আদি সুন্দৰকৈ শিশুৰ আগত উপস্থাপন কৰিব পাৰে। যিহেতু প্ৰতিজন শিক্ষকৰে কবিতা আবৃত্তি কৰা বা গান গোৱা দক্ষতা নাথাকিবও পাৰে সেয়েহে তেওঁলোকে কবি, সাহিত্যিক বা গায়কৰ দ্বাৰা পৰিৱেশিত কবিতা, আবৃত্তি, গান, বিভিন্ন আলোচনা আৰু ভাষণ বাচি উলিয়াই শিশুৰ ওচৰত উপস্থাপন কৰিব পাৰে। মাত্ৰ উপযুক্ত মানদণ্ডৰ কাৰ্যসূচী বাচি লৈ উপযুক্ত

সময়ত আৰু পৰিবেশত দাঙি ধৰিবলৈ শিক্ষকজনে জনাটো দৰকাৰ।

ভাষা শিক্ষাৰ শ্ৰেণীকোঠাত আন বিষয়ৰ ধাৰণা গঢ়াতো সহায় কৰে। আগতে উল্লেখ কৰা অনুসৰি বস্তু বা সামগ্ৰীৰ তালিকা বনোৱা। সেইবোৰৰ উপাদানসমূহৰ বিষয়ে অধ্যয়ন কৰা, ক্ৰিয়াকলাপ অথবা পৰীক্ষা আদিৰ বিষয়ে জানিবলৈ নিৰ্দেশাৱলী অধ্যয়ন কৰা, কোনো মতামত অথবা প্ৰত্যক্ষ জ্ঞানৰ ভিত্তিত দাৰ্শনিক যুক্তি দাঙি ধৰা ইত্যাদি সকলোবোৰ ভাষা শিক্ষাৰ এটা অংশ। এইবোৰৰ বাবে ব্যৱহৃত সামগ্ৰীবোৰৰ বিষয়ে উপযুক্ত বিষয়ৰ লগত সংগতি ৰাখি আলোচনা কৰাটো দৰকাৰ। ভাষা দক্ষতা বৃদ্ধিৰ বাবে গণিত সমাজ বিজ্ঞান, বিজ্ঞান আদি বিষয়ৰ পাঠ্যপুথিয়েও সহায়কৰে। পাঠৰ অন্তত দিয়া ক্ৰিয়া-কলাপ, নিৰ্দেশাৱলীয়েও ভাষা শিকাৰ বাবে উপযুক্ত সামগ্ৰী।

**উন্নতিৰ খতিয়ান— ৭**

(১) তলৰ কোনটো মৌখিক সামগ্ৰীৰ অংশ নহয়।

(ক) ৰেডিঅ’, (খ) পাঠ্যপুথি, (গ) চিডি প্লেয়াৰ, (ঘ) ফিল্ম প্ৰজেক্টৰ

(২) কেনেকুৱা সামগ্ৰী তুমি মৌলিক ভাষা শিক্ষাৰ সামগ্ৰী হিচাপে ব্যৱহাৰ কৰিবা?

........................................................................................................

........................................................................................................

........................................................................................................

(৩) ভাষা শিক্ষাৰ বাবে পুথিভঁৰাল কেনেকৈ ব্যৱহাৰ কৰিব পাৰি?

........................................................................................................

........................................................................................................

........................................................................................................

(৪) ভাষা শিক্ষাৰ বাবে ভাল সামগ্ৰীৰ কথা ভাবিলে কি কথা আমি মনত ৰখা উচিত?

........................................................................................................

........................................................................................................

........................................................................................................

### ৯.১২

### সামগ্ৰীৰ সহজ লভ্যতা

বহুতো শৈক্ষিক সামগ্ৰী আমাৰ চৌপাশতে পোৱা যায়। কিন্তু কিছুমান সামগ্ৰী অতি সহজে উপলব্ধ নহয় অথবা বহুত বিচাৰিব লগা হয়। বহুতো সামগ্ৰী ক্ৰয় কৰিবলগীয়া হয়। মন কৰিবলগীয়া যে এই সামগ্ৰী অতি ব্যয়বহুল হ’ব নালাগে অথবা ওচৰৰ বজাৰত উপলব্ধ হোৱা হ’ব লাগে। কিছুমান সামগ্ৰী একেলগে বহুত বিদ্যালয়ৰ বাবে আনি বিতৰণ কৰা হয়। যদিহে শিক্ষকে এই সামগ্ৰীসমূহ ক্ৰয়

কৰিবলগীয়া হয় তেন্তে তেওঁলোকৰ বাবে ই সহজলভ্য হ'ব লাগে আৰু এইবোৰ ক্ৰয় কৰাৰ বাবে পৰ্যাপ্ত ধনৰ তেওঁলোকৰ হাতত থকাৰ ব্যৱস্থা থাকিব লাগে, ইয়াৰ বাবে এটা শৃংখল, আৰু সুস্থিৰ পদ্ধতি থকাটো দৰকাৰ।

দুই দশক ধৰি তেনেকুৱা এটা বাতাবৰণ সৃষ্টি কৰাৰ বাবে চেষ্টা চলাই অহা হৈছে যাতে প্ৰতিখন বিদ্যালয়ত সামগ্ৰীসমূহ উপলব্ধ হয়। বহুতো যত্নৰ অন্ততঃ প্ৰতিখন বিদ্যালয় আৰু প্ৰাথমিক শিক্ষকৰ হাতত কিছু ধন থকাৰ ব্যৱস্থা কৰা হৈছে যাতে তেওঁলোকে এইবোৰ ক্ৰয় কৰিব পাৰে। শিক্ষকে তেওঁলোকৰ পছন্দ আৰু ৰুচি অনুযায়ী এই সামগ্ৰীসমূহ ক্ৰয় কৰে আৰু ইয়াৰ ব্যৱহাৰ কৰে। বহুতো বিদ্যালয়ত এই সামগ্ৰীসমূহ সুচাৰুৰূপে ব্যৱহাৰ হৈছেনে অথবা ধনৰ সু-প্ৰয়োগ হৈছেনে চাবলৈ ব্যৱস্থা আছে। যদিও শিক্ষকসকলৰ বাবে এই সামগ্ৰীসমূহ উপলব্ধ হৈছে তথাপি তাক ভালদৰে ব্যৱহাৰ হৈছেনে তাৰ কোনো নিশ্চয়তা নাই। গতিকে সামগ্ৰীসমূহৰ সুচাৰুৰূপে ব্যৱহাৰ হৈছেনে চাবলৈ উপযুক্ত ব্যৱস্থাথকা প্ৰয়োজন।

সাধাৰণতে দেখিবলৈ পোৱা যায় যে বহুতো বিদ্যালয়ত শিক্ষকে এই সামগ্ৰীসমূহ অন্য ধুনীয়া প্ৰদৰ্শনীমূলক সামগ্ৰী ক্ৰয় ক্ষেত্ৰত ব্যৱহাৰ কৰে অথবা নিজে তেনেকুৱা সামগ্ৰী বনাবলৈ এই সামগ্ৰীসমূহ কেঁচা সামগ্ৰী হিচাপে ব্যৱহাৰ কৰে। বহুতো শিক্ষক আৰু অধ্যক্ষই এই সামগ্ৰীসমূহ বিদ্যালয়ত ৰাখিবলৈ মান্তি নহয়। যিবোৰ দক্ষ শিক্ষকে এই সামগ্ৰীসমূহৰ উচিত ব্যৱহাৰ বিচাৰে তেওঁলোকৰ হাতত পৰ্যাপ্ত ধন নাথাকে এই সামগ্ৰীবোৰ ক্ৰয় কৰিবলৈ। ওচৰৰ বজাৰতো ভাল মানদণ্ডৰ কেছেট বা লেখাচিত্ৰ আদি উপলব্ধ নহয়, যিবোৰে শিশুসকলৰ ভাষা দক্ষতা বঢ়ায়।

বৰ্তমান প্ৰতিখন ৰাজ্যৰ শিক্ষা বিভাগে জিলা ভিত্তিক কেইখনমান বিদ্যালয় বাছনি কৰি সেইবোৰত শিশুৰ বাবে তেনেকুৱা এটা কোঠাৰ ব্যৱস্থা কৰিবলৈ চেষ্টা কৰি আছে। এই কোঠাটোত শিশুৰ বাবে দৰকাৰী সকলোবোৰ সামগ্ৰী ৰখাৰ ব্যৱস্থা কৰা হ'ব। তেনেকুৱা এটা শিক্ষণ-শিকন সঁজুলি কোঠাৰ গুৰুত্ব কিমান আৰু ইয়াক ভালদৰে ফলপ্ৰসু কৰিব পৰা যাবনে নাই ইয়াৰ বাবে কিমান ধনৰ প্ৰয়োজন হ'ব অথবা সামগ্ৰীসমূহ অকল প্ৰদৰ্শনৰ বাবে থাকিব নে শিশুৱে নিজ হাতেৰে চুই কাম কৰাৰ অভিজ্ঞতা লাভ কৰিব এইবোৰ ভাবি চাবলগীয়া বিষয়। কিমান ধনৰ প্ৰয়োজন হ'ব আৰু কিমানখন বিদ্যালয়ত উপলব্ধ হ'ব সেইয়া আলোচনাৰ বিষয়। তাৰোপৰি যদিহে ই ল'ৰা-ছোৱালীৰ বাবে উপলব্ধ নহয় বা তেওঁলোকে স্পৰ্শ কৰাৰ সুবিধা নাপায় তেন্তে শিক্ষাৰ উদ্দেশ্য সাধন নহয়।

**উন্নতিৰ খতিয়ান— ৮**

(১) নিম্নোক্ত কোনটো সামগ্ৰী বাচনি কৰাৰ ক্ষেত্ৰত শুদ্ধ নিয়ম নহয়?

(ক) সামগ্ৰীসমূহ অতি ব্যয়বহুল হ'ব লাগে।

(খ) ওচৰৰ বজাৰত উপলব্ধ হ'ব লাগে।

(গ) সামগ্ৰীসমূহ ব্যয়বহুল হ'ব নালাগে।

(ঘ) সাগ্ৰীসমূহ ক্ৰয় কৰিব পৰা হ'ব লাগে আৰু বিদ্যালয়ক দিব লাগে।

(২) তুমি কেনেকৈ সামগ্ৰীসমূহৰ অসহজলভ্যতা (সহজে নোপোৱা) সমস্যাটোৰ সমাধান কৰিবা?

..................................................................................................................

..................................................................................................................

..................................................................................................................

(৩) শ্ৰেণীত ভাষা-শিক্ষাৰ ক্ষেত্ৰত সামগ্ৰীসমূহৰ উচিত ব্যৱহাৰৰ বাবে তুমি কি ব্যৱস্থা ল'বা?

..................................................................................................................

..................................................................................................................

..................................................................................................................

(৪) শ্ৰেণীকোঠাৰ বাবে সামগ্ৰীসমূহ বাচনি কৰা ক্ষেত্ৰত তুমি কি কথা মনত ৰাখিবা?

..................................................................................................................

..................................................................................................................

..................................................................................................................

**৯.১৩**

**সামগ্ৰীসমূহৰ ব্যৱহাৰ কেনেদৰে কৰিব লাগে?**

এই পাঠটিত শিকি অহা সামগ্ৰীৰ বিষয়ে আৰু শিক্ষণত ইয়াৰ ব্যৱহাৰ সম্পৰ্কে কিছু নিয়ম পুনৰাবৃত্তিৰ কিছু প্ৰয়োজন। এই নিয়মাৱলীয়ে শিক্ষকক শ্ৰেণীকোঠাত এই সামগ্ৰীসমূহৰ উচিত ব্যৱহাৰ কৰা ক্ষেত্ৰত সহায় কৰিব।

(১) সামগ্ৰীসমূহ সহজে উপলব্ধ হ'ব লাগে। শিক্ষকৰ দ্বাৰা ব্যৱহৃত সামগ্ৰীসমূহ আগতীয়া পৰিকল্পনাৰ ভিত্তিত সাজু ৰাখিব লাগে। কাৰণ শিক্ষাৰ্থীৰ সন্মুখত এইবোৰ বিচাৰি থাকিলে তেওঁলোকৰ শিকনৰ ধাৰাবাহিকতা আৰু মনোযোগ ভংগ হ'ব পাৰে।

(২) মনত ৰাখিবলগীয়া কথা যে সামগ্ৰীসমূহ ব্যৱহাৰপযোগী হোৱা উচিত, অকল প্ৰদৰ্শনৰ বাবে নহয়। শিক্ষক এজনে কোনটো সামগ্ৰী কি পৰিৱেশত ব্যৱহাৰ কৰিব জানিব লাগিব কাৰণ শিক্ষণ শিকন উপকৰণ (TLM) এবিধ মাথোন পাঠ এটা অৰ্থপূৰ্ণ কৰি তোলাৰ সঁজুলিহে। শিশুৰ আগ্ৰহ আৰু সামৰ্থতাৰ ওপৰত ভিত্তি কৰিহে শিক্ষকে এই সামগ্ৰীসমূহ বাচনি কৰিব লাগে।

(৩) বহুতো সামগ্ৰী ব্যৱহাৰ কৰাৰ মন কৰিবলগীয়া এটাৰ পিছত এটা সামগ্ৰী ক্ৰমান্বয়ে ব্যৱহাৰ কৰাটো প্ৰয়োজন। যদিহে কোনো কাৰণত সামগ্ৰীসমূহ একেলগে ব্যৱহাৰ কৰিবলগীয়া হয় অথবা এইবোৰৰ মাজত সম্পৰ্ক দেখুওৱাবলগীয়া হয় তেন্তে একেলগে ব্যৱহাৰ কৰাটো বাঞ্ছনীয়।

(৪) সামগ্ৰীসমূহৰ উচিত সংৰক্ষণ বাঞ্ছনীয় লগতে শিশুসকলৰ মাজত এইবোৰ ভগাই দিয়াটোও উচিত। শিশুসকলে সামগ্ৰীসমূহ ব্যৱহাৰ কৰাৰ পিছত সেইবোৰ যত্ন সহকাৰে সংগ্ৰহ কৰি ঘূৰাই দিবলৈ নির্দেশ দিব লাগে। এই ব্যৱস্থাই সামগ্ৰীসমূহৰ আগ্ৰহ কৰাত শিশুৰ যোগদান আৰু সময়ৰ সৎ ব্যৱহাৰ সুনিশ্চিত কৰে।

(৫) সামগ্ৰীসমূহ ব্যৱহাৰ কৰোতে শিশুৰ হাতত কেতিয়াবা নষ্ট হ'ব পাৰে বা ভাঙিব পাৰে। তেতিয়া নষ্ট হোৱা সামগ্ৰীসমূহ দৰ্খাস্তৰ সৈতে ঘূৰাই লোৱা ব্যৱস্থা থকাটো দৰকাৰ। অথবা সামগ্ৰীটোৰ বিকল্প সামগ্ৰী ঘূৰাই লোৱাৰ ব্যৱস্থা থাকিব লাগে। শিশুৱে যেতিয়া কিতাপ এখন পঢ়িব লয়, অথবা চিত্ৰলেখা (charts) এখন ব্যৱহাৰ কৰে, চক নাইবা ৰঙৰ ব্যৱহাৰ কৰে তেতিয়া এইবোৰ উৰলি যোৱা, ভাঙি যোৱা অথবা নষ্ট হ'ব পাৰে। কিন্তু যি ব্যৱস্থাত সেইবোৰ ঘূৰাই লোৱা ব্যৱস্থা নাথাকে তেনে ব্যৱস্থাই শিশুক সামগ্ৰীসমূহৰ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত উদগণি নোযোগায়।

**উন্নতিৰ খতিয়ান— ৯**

(১) শিশুৱে সামগ্ৰীসমূহ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত নিম্নোক্ত কোনটো সম্ভৱ নহয়?

(ক) সামগ্ৰীসমূহ ভাঙি ছিঙি যাব পাৰে

(খ) সামগ্ৰীসমূহ খাই দিয়া বা কামোৰা

(গ) যেনেদৰে দিয়া তেনেদৰে থাকে

(২) শৈক্ষিক সামগ্ৰীসমূহ ব্যৱহাৰৰ ক্ষেত্ৰত কেনেকুৱা ধৰণৰ নিয়মাৱলীৰ ব্যৱস্থা থাকিব লাগে?

..........................................................................................................

..........................................................................................................

..........................................................................................................

(৩) শ্ৰেণীকোঠাত কিয় সামগ্ৰীসমূহ সযতনে ৰাখিব লাগে?

..........................................................................................................

..........................................................................................................

..........................................................................................................

**৯.১৪**

**সামগ্ৰীসমূহ বাচনি কৰাৰ নিয়ম ঃ**

প্ৰতিজন শিক্ষকে তেওঁক কেনেকুৱা ধৰণৰ সামগ্ৰীৰ প্ৰয়োজন, কেনেকুৱা ধৰণৰ সামগ্ৰী তেওঁ ক্ৰয় কৰা উচিত আৰু কেনেকুৱা ধৰণৰ সামগ্ৰীৰ ওপৰত তেওঁ গুৰুত্ব প্ৰদান কৰা উচিত সেই বিষয়ে চিন্তা কৰা উচিত। উপযুক্ত সামগ্ৰী বাচনি কৰাৰ ভিত্তি কি সেই বিষয়ে আমিও ভবা উচিত।

নিয়মাৱলীসমূহ তলত দিয়া ধৰণৰ ঃ

(১) সামগ্ৰীসমূহে শিক্ষাৰ উদ্দেশ্য পূৰণ কৰিব পাৰিব লাগিব। ইয়াৰ অৰ্থ হ'ল আমি যিখিনি কাৰ্য্য কৰিব বিচাৰো আৰু শিশুক সেই সুবিধাখিনি প্ৰদান কৰিব বিচাৰো তাক প্ৰতিপায়িত কৰাত এই সামগ্ৰীসমূহে সহায় কৰে। উদাহৰণস্বৰূপে যদি আমাৰ উদ্দেশ্য শিশুৰ কল্পনা শক্তি বৃদ্ধি কৰা আৰু তেওঁলোকৰ প্ৰকাশভংগী শৃংখলভাৱে প্ৰকাশ কৰা হয় তেন্তে তেওঁলোকক এই সুবিধা প্ৰদান কৰাৰ বাবে আমি ছবিৰ ব্যৱহাৰ কৰিব পাৰো।

(২) সামগ্ৰীসমূহ বিভিন্ন উদ্দেশ্য সাধনৰ বাবে ব্যৱহাৰপযোগী হ'ব লাগে। আমি তেনেকুৱা ধৰণৰ সামগ্ৰী যোগাৰ কৰিব লাগিব আৰু শিক্ষকসকলে যাতে মুক্তভাৱে এই সামগ্ৰীসমূহ ব্যৱহাৰ কৰিব পাৰে তাৰ বাবে তেওঁলোকক সাজু কৰিব লাগিব।

(৩) এই সামগ্ৰী সহজলভ্য হ'ব লাগে আৰু ইয়াৰ বাবে যাতে অত্যাৱশ্যকীয় কষ্টৰ প্ৰয়োজন হ'ব নালাগে। যথেষ্ট পৰিমাণে আৰু কম খৰচত এই সামগ্ৰীসমূহ উপলব্ধ হ'ব লাগে। ল'ৰা-ছোৱালীৰ ব্যৱহাৰপযোগী হ'ব লাগে। থাৰ্মকলৰ সামগ্ৰীসমূহ যিবোৰ সহজতে ভাঙি যাব পাৰে বা স্পৰ্শ কৰিলে নষ্ট হয়, সেইবোৰ ভাল সামগ্ৰীৰ ভিতৰত নপৰে। আমি মনত ৰখা উচিত যে বেছিভাগ সামগ্ৰী ল'ৰা-ছোৱালীৰ ব্যৱহাৰৰ কাৰণেহে হয়।

(৪) ল'ৰা-ছোৱালীয়ে ব্যৱহাৰ কৰা সামগ্ৰীসমূহৰ ক্ষেত্ৰত যাতে বহুত সতৰ্কতা বা সাৱধানতা অৱলম্বন কৰিবলগীয়া নহয়। এইবোৰ অকল নিৰপত্তা অৱলম্বন কৰা সামগ্ৰী হ'ব নালাগে।

(৫) শিক্ষক আৰু শিক্ষাৰ্থী উভয়ে সামগ্ৰীসমূহ বাচনি কৰা, তৈয়াৰ কৰা কাৰ্যত ভাগ ল'ব লাগে। আগতীয়া পৰিকল্পনাৰে এইবোৰ প্ৰস্তুত কৰি বিদ্যালয়সমূহক যোগান ধৰিব নালাগে। যিহেতু শিক্ষক আৰু শিক্ষাৰ্থীৰ সক্ৰিয় যোগদান শিক্ষাৰ বাবে প্ৰয়োজনীয়, গতিকে এই সামগ্ৰীসমূহ বাচনি কৰণত দুয়োজনৰে প্ৰধান ভূমিকা থকা উচিত।

(৬) তেওঁলোকক সামগ্ৰীসমূহ কেনেকৈ শ্ৰেণীত ব্যৱহাৰ কৰা হ'ব তাক ভবা আৰু শিকাৰ বাবে সুযোগ দিয়া উচিত।

শিক্ষাৰ সাধাৰণ অৰ্থ সম্পৰ্কে আমি সদায় সচেতন য'ত শিক্ষকে শিক্ষাৰ্থীৰ বাবে সামগ্ৰীসমূহ নিৰ্বাচন কৰে আৰু প্ৰস্তুত কৰে। সামগ্ৰীসমূহৰ বাচনি, তালিকা প্ৰস্তুতকৰণ, পৰিকল্পনা যুগুত কৰণ আৰু আন বহুতো সামগ্ৰী সম্পৰ্কীয় কামত শিক্ষক আৰু শিশুৰ কোনো ভূমিকা নাই। অভিজ্ঞতাসম্পন্ন শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ সৈতে সামগ্ৰীসমূহৰ ব্যৱহাৰ কৰিলে বহুত নতুন আৰু কৌশলপূৰ্ণ সামগ্ৰী সৃষ্টি কৰিবলৈ সুবিধা পায়।

সাধাৰণতে এইটো ভবা হয় যে শিক্ষকসকল বিশ্বাসৰ পাত্ৰ নহয় আৰু সামগ্ৰীসমূহ আনৰ দ্বাৰা নিৰ্বাচন কাৰ যুগুত। সাধাৰণ ব্যৱস্থাত এতিয়াও সামগ্ৰীসমূহ নিৰ্বাচন কৰি প্ৰস্তুত কৰি শিক্ষকসকলৰ বাবে প্ৰেৰণ কৰা হয়। কেন্দ্ৰীয়ভাৱে যোগান ধৰা এনেকুৱা সামগ্ৰীৰ ক্ষেত্ৰত বিদ্যালয়ৰ কোনো ধৰণৰ ভাল অভিজ্ঞতা নোহোৱা স্বত্ত্বেও এই মতামতৰ কোনো পৰিৱৰ্তন হোৱা নাই। বৰ্তমানেও শিক্ষকসকলক সামগ্ৰী বাচনিৰ ক্ষেত্ৰত অনুমতি দিয়া হোৱা নাই।

**উন্নতিৰ খতিয়ান— ১০**

(১) সামগ্ৰী বাচনি কৰাৰ ক্ষেত্ৰত কিমানটা নিয়মাৱলী দিয়া হৈছে।

(ক) ২, (খ) ৪, (গ) ৫, (ঘ) ৮

কোনটো তুমি বেছি দৰকাৰী বুলি ভাবা আৰু কিয়?

(২) সামগ্ৰীৰ নিৰ্বাচন আৰু সেইবোৰ প্ৰস্তুতকৰণ আৰু ব্যৱহাৰ কৰাত শিক্ষকসকলৰ যোগদান কিয় দৰকাৰী?

..........................................................................................................

..........................................................................................................

..........................................................................................................

(৩) সামগ্ৰী নিৰ্বাচনৰ বাবে প্ৰয়োজনীয় তিনিটা নিয়মাৱলী উল্লেখ কৰা।

..........................................................................................................

..........................................................................................................

..........................................................................................................

**৯.১৫**

**সামৰণি ঃ**

শিক্ষাৰ্থীসকলৰ বাবে বিদ্যালয়ত উপযুক্ত পৰিমাণত শৈক্ষিক সামগ্ৰী থকাটো বাঞ্ছনীয়। ইয়াৰ ভিতৰত ঢাৰি, বেঞ্চ, চকী, শৌচাগাৰ, প্ৰস্ৰাৱগাৰ আৰু পৰিস্কাৰ খোৱা পানীৰ ব্যৱস্থা ইত্যাদি। এইবোৰ হৈছে দৰকাৰী সাধাৰণ সামগ্ৰী। ইয়াৰ বাহিৰেও আন কিছুমান দৰকাৰী সামগ্ৰী আছে যিবোৰক শৈক্ষিক সামগ্ৰী বুলি কোৱা হয়। এইবোৰৰ ভিতৰত লেখা-চিত্ৰ (charts), অনুকৃতি (models), ভাষা-শিক্ষা কাৰ্ড (language cards) ইত্যাদি। শৈক্ষিক সামগ্ৰীবোৰ হৈছে এনেকুৱা সঁজুলি যিবোৰে শিক্ষকক শিক্ষণ আৰু শিক্ষাৰ্থীক শিকন প্ৰক্ৰিয়াত সহায় কৰে। শিক্ষণ-শিকন প্ৰক্ৰিয়াত সহায় কৰা বাবে এই সামগ্ৰীবোৰক শিক্ষণ-শিকন সামগ্ৰী (TLM) বুলি কোৱা হয়।

শৈক্ষিক সামগ্ৰীসমূহৰ ব্যৱহাৰৰ নতুন দৃষ্টিভংগী অনুসৰি এইবোৰ ল'ৰা-ছোৱালীৰ উপলব্ধ হ'ব লাগে। ইয়াৰ অৰ্থ হ'ল শিশুসকলে এইবোৰ স্পৰ্শ কৰিবলৈ, উদ্ভাৱন কৰিবলৈ, পৰীক্ষা কৰিবলৈ আৰু সামগ্ৰীসমূহৰ সৈতে কাম কৰিবলৈ সক্ষম হ'ব লাগে। এই সামগ্ৰীসমূহ যাতে ভঙা আৰু নষ্ট হোৱাৰ ভয় সিহঁতৰ মনত নাথাকে। ভাল শৈক্ষিক সামগ্ৰীয়ে শিশুৰ অভিজ্ঞতাক বাস্তৱায়িত কৰাত আৰু শিকন প্ৰক্ৰিয়াত সহায় কৰে। প্ৰতিটো কাম আৰু কাৰ্যৰ বাবে বেলেগ বেলেগ সামগ্ৰীৰ প্ৰয়োজন নাই। অতি সচেতনভাৱে যদি চিন্তা কৰো দেখা যায় যে এবিধ সামগ্ৰী বিভিন্ন উদ্দেশ্য সাধনৰ বাবে ব্যৱহাৰ কৰিব পাৰি। ভাষা-শিক্ষাৰ শ্ৰেণীত এই সামগ্ৰীসমূহৰ ব্যৱহাৰৰ উদ্দেশ্য অকল শিশুক বিভিন্ন ভাষাৰ পাঠ্যপুথিৰ লগত জড়িত কৰাটোৱে নহয়, শিক্ষাৰ্থীৰ ভাষাৰ ব্যৱহাৰ কৰাৰ বাবে তেওঁলোকৰ সামৰ্থতাৰ

উন্নত কৰাটোহে বুজায়। ইয়াৰ বাহিৰেও আমি জানিব পাৰিলো যে অকল শিক্ষকেই নহয়, শিশুৰেও শৈক্ষিক সামগ্রীসমূহৰ বাছনি, প্রস্তুতকৰণ আৰু ব্যৱহাৰ কৰা প্রক্রিয়াত যোগদান কৰা উচিত।

**৯.১৬**

**উপৰঞ্চি পঠন আৰু পাঠ্য ঃ**

Dewan, H. K. 2008. TLM vs Teaching Aids.

Buniyadi Shiksha 18 : 7 - 11 (Published by Vidya Bhawan Society and Azim Premji University)

http :/stmdhavan.wordpress.com/2010/07/08/teaching-learning-materials english/

http ://www.teachercreated.com/books/language-arts

**৯.১৭**

**পাঠভিত্তিক ক্রিয়াকলাপ ঃ**

১। সাধাৰণ সামগ্রী আৰু শৈক্ষিক সামগ্রীৰ মাজত পাৰ্থক্য কি? উদাহৰণসহ ব্যাখ্যা কৰা।

২। শৈক্ষিক সামগ্রীৰসমূহৰ ওপৰত নতুন দৃষ্টিভংগী কি?

৩। ভাল শৈক্ষিক সামগ্রীৰ সাধাৰণ বৈশিষ্ট্যসমূহ কি কি? উদাহৰণ দিয়া।

৪। সামগ্রী নিৰ্বাচন কৰাৰ ভিত্তি কি হোৱা উচিত?

৫। সামগ্রী ব্যৱহাৰৰ নিয়মাৱলীসমূহ কি কি?

৬। 'শিক্ষা ব্যৱস্থাত শৈক্ষিক সামগ্রীসমূহ নষ্ট কৰাৰ অনুমতি থকা উচিত'— কথাষাৰিৰ অৰ্থ কি?